## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম বিষয় ঃ ভাষা-১ (অসমীয়া) প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ছাত্ৰ-ছাত্ৰীসকলে 'এটা শব্দত প্ৰকাশ কৰা' শব্দৰ বিষয়ে জানিব পাৰিব। (নতুন শব্দ জানিব, বাক্য সংকোচনৰ বিষয়ে অৱগত হ'ব)
- ছাত্ৰ-ছাত্ৰীসকলে ণত্ববিধি, ষত্ববিধিৰ নিয়মাৱলী জানিব আৰু সেইবোৰ বাক্যত প্ৰয়োগ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) তেজৰে কমলাপতি | - | পাঠ নং ১ |
| খ) হাঁহি | - | পাঠ নং ২ |
| গ) সাফল্যৰ জিলিঙনি | - | পাঠ নং ৩ |
| ঘ) গল্পৰ ছলেৰে | - | পাঠ নং ৪ |
| ঙ) স্বদেশ-প্ৰেম | - | পাঠ নং ৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়ে জনাটো দৰকাৰ। বিশেষকৈ 'এটা শব্দত প্ৰকাশ কৰা', ণত্ববিধি আৰু ষত্ববিধি ইত্যাদিৰ বিষয়ে জানিব লাগে। ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীৰ লিখন দক্ষতা বৃদ্ধি কৰে। বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ জৰিয়তে আমি ছাত্ৰ-ছাত্ৰীৰ ব্যাৱহাৰিক ব্যাকৰণৰ ক্ষেত্ৰত থকা দুৰ্বলতাসমূহ দূৰ কৰিব পাৰোঁ। ণত্ববিধি, ষত্ববিধিৰ নিয়মসমূহ জানিলে ছাত্ৰ-ছাত্ৰীৰ বানানৰ ভুলবোৰো দূৰ হ'ব।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ মানদণ্ড উন্নত হ'ব।
- ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান লাভ কৰিব।
- শুদ্ধ ব্যাকৰণিক গাঠনিৰে নিজা লিখনি সৃষ্টি কৰি লিখন কলাৰ বিকাশ ঘটাব পাৰিম।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

- ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
- ছাত্ৰ-ছাত্ৰীক ব্যাৱহাৰিক ব্যাকৰণ শিকাবলৈ নতুন নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।

**ব্যাৱহাৰিক ব্যাকৰণৰ বিকাশৰ ব্যৱস্থাৱলী ঃ**

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে এই সাময়িকীৰ পাঠকেইটাৰ পৰা আহৰণ কৰিবলগীয়া আটাইবোৰ ব্যাৱহাৰিক ব্যাকৰণৰ দিশ ইয়াত সামৰি লোৱাটো সম্ভৱ নহয়। সেয়েহে, এই সমল সামগ্ৰীটোত এটা শব্দত প্ৰকাশ কৰা আৰু ণত্ববিধি, ষত্ববিধিৰ বিষয়ে আলোচনা কৰা হৈছে।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ছাত্ৰ-ছাত্ৰীসকলে এটা শব্দত প্ৰকাশ কৰা শব্দৰ বিষয়ে জানিব পাৰিব | এটা শব্দত প্ৰকাশ কৰা শব্দৰ তালিকা | দলগত ক্ৰিয়া-কলাপ | তালিকা - ১<br>১) নাম নধৰাকৈ পৰা গালি —<br>২) যাক বৰ্ণনা কৰিব নোৱাৰি —<br>৩) যাক দেখা নাযায় —<br>৪) যি অলপতে শুনে —<br>৫) যি নিশা চৰে —<br>৬) যি কথাৰ অৰ্থ নাই —<br>৭) যাৰ ধাৰ আছে —<br>৮) যি সহ্য কৰিব পাৰে —<br>৯) ভিক্ষা কৰে যি —<br>১০) যি মিছা কথা কয় — | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ণত্ববিধি, ষত্ববিধিৰ নিয়মসমূহ জানিব আৰু প্ৰয়োগ কৰিব পাৰিব। | শব্দৰ তালিকা | দলগত ক্ৰিয়া-কলাপ | ১) শুদ্ধ বানান বাছি উলিওৱা —<br>কৃপন, গ্ৰহণ, ৰইনা, গেৰেকণি, হৰিনাৰায়ণ, ত্ৰিনয়ণ, উত্তৰায়ন, পৰায়ণ, শূৰ্পণখা, বৃন্দাবন, প্ৰণাম, বণিক, গৌণ, লৱন, কনিকা, অনুস্থিত, ঔসধ। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

আমিৰ হুছেইন বৰপেটা জিলাৰ উচ্চ প্ৰাথমিক বিদ্যালয় এখনৰ শিক্ষক। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক 'এটা শব্দত প্ৰকাশ কৰা' শিকাবলৈ কিছুমান ক্ৰিয়া-কলাপ প্ৰস্তুত কৰিলে।

প্ৰস্তুতি ঃ হুছেইন ছাৰে ' এটা শব্দত প্ৰকাশ কৰা' ৰ ধাৰণা দিবলৈ কিছুমান তালিকা প্ৰস্তুত কৰিলে।

তালিকা এনেধৰণৰ —

| তালিকা - ১ |
|---|
| যিজনে কোনো বস্তু বা তথ্য আদি আৱিষ্কাৰ কৰে - আবিষ্কাৰক |
| বতৰত নোহোৱা বস্তু - আৱতৰীয়া |
| পুৱাই স্মৰণ কৰাৰ যোগ্য - প্ৰাতঃস্মৰণীয় |
| গছত উঠিবলৈ ব্যৱহাৰ কৰা সঁজুলি - জখলা |

| তালিকা - ২ |
|---|
| পচলা - খাবলৈ অনা কলপুলি |
| যাযাবৰ - যি অনাই বনাই ঘূৰি ফুৰে |
| তাৱৈ - দেউতাকৰ সখিয়েক |
| ভঁৰাল - ধান থোৱা ঘৰ |

এনেদৰে তালিকা প্ৰস্তুত কৰাৰ পিছত হুছেইন ছাৰে শ্ৰেণীকোঠাত সকলোৱে দেখাকৈ তালিকাকেইখন আৰি দিলে। ইয়াৰ পাছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তালিকাখন পঢ়িবলৈ দিলে। পঢ়িব নোৱৰা ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত তেওঁ সমূহীয়া শিকনৰ সহায় ল'লে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তালিকাৰ পৰা এটা শব্দত প্ৰকাশ কৰা শব্দ অৰ্থসমূহ বহীত লিখি ল'বলৈ দিলে।

এনেদৰে দুই-তিনিটামান শ্ৰেণীত তালিকাৰ সহায়ত শিক্ষণ কাৰ্য সম্পন্ন কৰিলে। পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন কৰিবলৈ হুছেইন ছাৰে শ্ৰেণীকোঠাতেই কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিলে। তাৰ বাবে হুছেইন ছাৰে ৪/৫ জন ছাত্ৰক লৈ একোটাকৈ দল গঠন কৰি দিলে। তেওঁ দুটা ৰাউণ্ডত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিলে। প্ৰথম ৰাউণ্ডত '**১** নং তালিকা' অনুসৰি প্ৰথমতে বাক্যটো কৈ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা 'এটা শব্দত' উত্তৰটো বিচাৰিলে। প্ৰথম ৰাউণ্ড শেষ হোৱাৰ পিছত ' ২ নং তালিকা' অনুসৰি শব্দটো কৈ তাৰ অৰ্থটো জানিব বিচাৰিলে। এইদৰে কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ অন্তত বিজয়ী দলক পুৰস্কৃত কৰিলে।

হুছেইন ছাৰে দেখিলে যে এইদৰে ক্ৰিয়া-কলাপ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে শব্দবোৰ মনত ৰাখিব পাৰিছে আৰু কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ পাই তেওঁলোক আনন্দিত হৈছে।

দৃঢ়ীকৰণৰ বাবে আমিৰ হুছেইনে ছাত্ৰ-ছাত্ৰীসকলক নিজে সংগ্ৰহ কৰি এটা 'শব্দত প্ৰকাশ কৰা' শব্দৰ তালিকা প্ৰস্তুত কৰি আনিবলৈ ক'লে।

**চিন্তা কৰি চাওঁ আহক —**

- ➪ আমিৰ হুছেইনে কেনেদৰে 'এটা শব্দত প্ৰকাশ কৰা' তালিকা প্ৰস্তুত কৰিছিল?
- ➪ তেওঁ কেনেদৰে শিক্ষণ প্ৰক্ৰিয়াক আনন্দদায়ক কৰি তুলিলে?
- ➪ আপুনিও এনেধৰণৰ ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিছে নেকি?

**ক্ৰিয়া-কলাপ**

**প্ৰস্তুতি ঃ** শিক্ষকে কিছুমান শব্দ লিখা থকা কাৰ্ড প্ৰস্তুত কৰি ল'ব। কাৰ্ডসমূহৰ কিছুমানত শুদ্ধ বানান আৰু কিছুমানত অশুদ্ধ বানান লিখা থাকিব।

**বিৱৰণ ঃ** এই ক্ৰিয়া-কলাপটি কৰাৰ আগতে শিক্ষকে ছাত্ৰ-ছাত্ৰীক ণত্ববিধি, ষত্ববিধিৰ নিয়মসমূহৰ সম্যক ধাৰণা প্ৰদান কৰিব।

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক চাৰি-পাঁচজনীয়া দলত বিভক্ত কৰি ল'ব। ইয়াৰ পাছত প্ৰতিটো দলকে একোখনকৈ কাৰ্ড ভগাই দিব। শিক্ষকে কাৰ্ডত থকা শব্দসমূহ ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে পঢ়িবলৈ নিৰ্দেশনা প্ৰদান কৰিব। পঢ়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক ণত্ববিধি, ষত্ববিধিৰ নিয়ম অনুসৰি শুদ্ধ বানানসমূহ বাছি উলিয়াই চিন দিবলৈ ক'ব। ছাত্ৰ-ছাত্ৰীসকলে দলীয়ভাৱে আলোচনা কৰি শুদ্ধ বানানসমূহ বাছি উলিওৱাৰ পিছত প্ৰতিটো দলৰ ছাত্ৰ-ছাত্ৰীক বোৰ্ডত শুদ্ধ বানান কেইটা লিখিবলৈ ক'ব।

ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ নিৰ্দেশনা অনুসৰি নিজ নিজ দলে লাভ কৰা কাৰ্ডসমূহৰ শব্দসমূহ ভালদৰে পঢ়িব। দলীয়ভাৱে আলোচনা কৰি ণত্ববিধি, ষত্ববিধিৰ নিয়ম অনুসৰি শুদ্ধ বানানসমূহ বাছি উলিয়াই চিন দিব। ইয়াৰ পিছত শিক্ষকৰ নিৰ্দেশনা অনুসৰি দলৰ যিকোনো এজন সদস্য গৈ বোৰ্ডত তেওঁলোকে বাছি উলিওৱা শব্দবোৰ লিখিব।

এই ক্ৰিয়া-কলাপটোৰ দ্বাৰা —

- ➪ ছাত্ৰ-ছাত্ৰীসকলে ণত্ববিধি, ষত্ববিধিৰ নিয়মসমূহ প্ৰয়োগ কৰিবলৈ শিকিব।
- ➪ ছাত্ৰ-ছাত্ৰীসকলৰ স্ব-মূল্যায়ন হ'ব।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সমক্ষ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব।***

**সাৰাংশ ঃ** বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ ব্যাৰহাৰিক ব্যাকৰণৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰাত আৰু বানান ভুলৰ সমস্যা দূৰ কৰাত এই সমল সামগ্ৰীত উল্লিখিত ক্ৰিয়া-কলাপসমূহে সহায় কৰিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নসমূহ কৰি চাওঁ আহক —

⇨ এটা শব্দত প্ৰকাশ কৰা —

১) নাম নধৰাকৈ পৰা গালি —
২) যাক বৰ্ণনা কৰিব নোৱাৰি —
৩) যাক দেখা নাযায় —
৪) যি অলপতে শুনে —
৫) যি নিশা চৰে —
৬) যি কথাৰ অৰ্থ নাই —
৭) যাৰ ধাৰ আছে —
৮) যি সহ্য কৰিব পাৰে —
৯) ভিক্ষা কৰে যি —
১০) যি মিছা কথা কয় —

⇨ শুদ্ধ বানান বাছি উলিওৱা —

কৃপন, গ্ৰহণ, ৰইনা, গেৰেকণি, হৰিনাৰায়ণ, ত্ৰিনয়ণ, উত্তৰায়ন, পৰায়ণ, শূৰ্পণখা, বৃন্দাবন, প্ৰণাম, বণিক, গৌণ, লৱণ, কনিকা, অনুষ্ঠিত, ঔষধ।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

⇨ প্ৰণাম, অনুষ্ঠিত — শব্দ দুটাত 'ণ' আৰু 'ষ' প্ৰয়োগৰ যুক্তি দেখুওৱা।

⇨ এটা শব্দত প্ৰকাশ কৰা —

(ক) নাম গোৱা তিৰোতা —
(খ) যি ৰাতি নেদেখে —
(গ) যি এটা চকুৰে নেদেখে —
(ঘ) একে গুৰুৰ শিষ্য —
(ঙ) শিং নথকা গৰু —
(চ) হাল বোৱা গৰু —
(ছ) যি জলত চৰে —
(জ) ঈশ্বৰক বিশ্বাস কৰা লোক —
(ঝ) গান গোৱা লোক —
(ঞ) কাঁহৰ সামগ্ৰী তৈয়াৰ কৰা লোক —

**প্ৰসঙ্গ পুথি ঃ**

⇨ নতুন পাঠ ( সপ্তম ভাগ)
⇨ বহল ব্যাকৰণ — সত্যনাথ বৰা।
⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

******